# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-04-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

আজি ব'হাগৰ পহিলা দিন। আজি অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটোত পৰম্পৰাগতভাৱে ৰাজ্যজুৰি মানুহ বিহু পালন কৰা হৈছে। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লয়। পহিলা ব'হাগ উপলক্ষে শিৱসাগৰ জিলাৰ ৰংঘৰ বাকৰিত আহোম শাসনকালৰ ঐতিহ্য প্ৰতিফলিত কৰি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। প্ৰতীকি স্বৰ্গদেউক লৈ তলাতল ঘৰৰ পৰা উলিওৱা শোভাযাত্ৰাই ৰাইজৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা সৃষ্টি কৰা পৰিলক্ষিত হৈছে। তলাতল ঘৰৰ পৰা হাতীত উঠি স্বৰ্গদেউ আহি ৰংঘৰত আসন গ্ৰহণ কৰাৰ লগে লগে ৰংঘৰৰ বাকৰিত ৰঙৰ মেলা আৰম্ভ হয়। পাৰম্পৰিক ৰীতি অনুযায়ী আহোম শাসনকালত নিৰ্মিত এছিয়াৰ প্ৰাচীনতম ব্যৱহৃত পেভেলিয়ন ৰংঘৰত বিহু উপলক্ষে মল্লযুঁজকে ধৰি বিভিন্ন খেল অনুষ্ঠিত হয়। বিহুৰ কাৰ্যসূচীত যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈ উপস্থিত থাকি ৰাইজক বিহু শুভেচ্ছা জ্ঞাপন কৰে।

বিহু উপলক্ষে বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে। তিনিচুকীয়াৰ চলিহানগৰ খেলপথাৰত আছুৰ উদ্যোগত মুকলি বিহুৰ আয়োজন কৰা হৈছে। মুকলি বিহুত মৰাণ, মটক, আহোম, চুতীয়া, নেপালী, সোণোৱাল কছাৰী, চাহ জনগোষ্ঠীৰ প্ৰতিনিধিয়ে নিজৰ সংস্কৃতি প্ৰদৰ্শন কৰিব।

কামৰূপ জিলাতো বিগত বছৰৰ দৰে পৰম্পৰা ৰক্ষা কৰি ৰঙালীৰ বিহুৰ আয়োজন কৰা হৈছে। ৰঙিয়া মহকুমা ৰঙালী বিহু সন্মিলনীয়ে অনুষ্ঠানৰ লগত সংগতি ৰাখি মুকলি বিহু, জ্যেষ্ঠজনক সেৱা আৰু কণিষ্ঠজনক আশীৰ্বাদ প্ৰদান, জেং বিহু আদিৰ আয়োজন কৰিছে। পূব ৰঙিয়া প্ৰগতি সংঘতো বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। সমষ্টিটোৰ বিধায়ক ভৱেশ কলিতাই ৰঙালীৰ বিহুৰ পতাকা উত্তোলন কৰে।

ইফালে কাৰ্বি আংলং জিলাতো ৰঙালী বিহুৰ বিভিন্ন কাৰ্যসূচী পালন কৰা হৈছে। ঐতিহ্যমণ্ডিত ডিফু ক্লাবত ডিফু কেন্দ্ৰীয় বিহু সমিতিৰ উদ্যোগত পতাকা উত্তোলনেৰে ৰঙালী উৎসৱৰ আৰম্ভণি কৰা হয়।

অসমীয়া নতুন বছৰৰ প্ৰথম দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইত জনসাধাৰণে নামঘৰ, মন্দিৰ আৰু অন্যান্য ধৰ্মীয় উপাসনাস্থলীত সেৱা আগবঢ়াইছে। বৰপেটা জিলাত অসমৰ বাপতিসাহোন ৰঙালী বিহু উপলক্ষে ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে জিলাখনৰ অন্যান্য সত্ৰসমূহত সম্পূৰ্ণ সত্ৰীয়া নীতি-নিয়মেৰে পৰম্পৰা অনুযায়ী পহিলা ব'হাগৰ কাৰ্যসূচী পালন কৰা হৈছে। চ'তৰ সংক্ৰান্তিৰ পৰা ৭ দিনজুৰি পালন কৰা বৈহাগৰ দোমাহীৰ আজি বৰ দোমাহী। এই উপলক্ষে ভক্তসকলে সত্ৰত উপস্থিত হৈ হৰিনামৰ অমিয়া সুৰ আৰু গায়ন-বায়নৰ ভক্তিপূৰ্ণ খোলৰ চেও তথা ভকতি ৰসত বুৰ যায়।

গোলাঘাট জিলাতো বিহু উপলক্ষে ঐতিহ্যমণ্ডিত আঠখেলীয়া নামঘৰ, চিকন আতাৰ থান, বাসুদেৱ থান ইত্যাদি ধৰ্মীয় স্থানসমূহত ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা দেখিবলৈ পোৱা যায়। মাজুলীতো ৩৫খন ঐতিহাসিক সত্ৰত ধৰ্মীয় ৰীতি-নীতিৰে আজি পহিলা ব'হাগৰ দিনটো উদযাপন কৰে। ইয়াৰ লগতে মাজুলীৰ মুদৈবিল গাঁৱত আউনীআটি সত্ৰৰ বৈষ্ণৱসকলে বোকাবিহু পালন কৰে।

ইফালে অসম সাহিত্য সভাই আজি পহিলা ব'হাগৰ দিনটোত নিজৰ দিন হিচাপে পালন কৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বহু বিশিষ্ট ব্যক্তিৰ ঘৰে ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰিছে। এই উপলক্ষে সভাৰ গুৱাহাটী প্ৰশাসনিক কাৰ্যালয়ৰ বৃহত্তৰ বিৰকুছি সাহিত্য সভাৰ সহযোগত আয়োজন কৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই পতাকা উত্তোলন কৰে। চিৰাং জিলাতো অসম সাহিত্য সভাৰ নিৰ্দেশনা অনুসৰি ধালিগাঁও-বৰতালোৱা, ছাতিপুৰ, কাজলগাঁও শাখা সাহিত্য সভাৰ প্ৰতিনিধিসকলে অঞ্চলটোৰ বিশিষ্ট লোকসকলৰ ঘৰে ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰে। একেদৰে বাক্সা জিলাতো সক্ৰিয় সাহিত্য শাখাসমূহে ফুলাম গামোচা আৰু ওলগনি পত্ৰৰে বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জ্ঞাপন কৰে।

ইয়াৰ লগতে মানুহ বিহু উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি ডেকা-বুঢ়া সকলোৱে মিলি হুঁচৰি গোৱা পৰম্পৰা ৰক্ষা কৰা দেখা গৈছে। বিভিন্ন অঞ্চলত বিহু উপলক্ষে পৰম্পৰাগত খেল-ধেমালি, বিহুনাচ, ঢোলবাদন, পেঁপাবাদন, পিঠা-পনা প্ৰস্তুত কৰা প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে আজি সংকল্পপত্ৰ নামেৰে দলীয় ইস্তাহাৰ প্ৰকাশ কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জ্যেষ্ঠ নেতা ৰাজনাথ সিঙৰ উপস্থিতিত দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত এই ইস্তাহাৰ জাৰি কৰে। ইস্তাহাৰত দলে উমৈহতীয়া দেৱানি বিধি, এখন ৰাষ্ট্ৰ-এটা নিৰ্বাচন আৰু একক নিৰ্বাচন তালিকাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। দলে লগতে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অধীনত পৰৱৰ্তী ৫ বছৰৰ বাবে বিনামূলীয়া ৰেচন যোগান ব্যৱস্থা অব্যাহত ৰখাৰ লগতে জ্যেষ্ঠ নাগৰিকসকলক সামৰি লোৱাৰ বাবে আয়ুষ্মান ভাৰত যোজনাৰ সম্প্ৰসাৰণৰ প্ৰতিশ্ৰুতিও দিছে। সংকল্পপত্ৰত সবলীকৰণৰ জৰিয়তে ৩ কোটি মহিলাক লাখপতি বাইদেউৰূপে গঢ়ি তোলা আৰু প্ৰধানমন্ত্ৰী সূৰ্যঘৰ যোজনাৰে বিদ্যুৎ মাচুল শূন্য কৰাৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

নিৰ্বাচনী ইস্তাহাৰখনত উত্তৰ পূৰ্বাঞ্চলৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি অঞ্চলটোত শান্তি বৰ্তাই ৰখাৰ বিষয়ে উল্লেখ কৰা হৈছে। ইস্তাহাৰত দলে অশান্ত এলেকাসমূহৰ বিষয়সমূহ দূৰ কৰাৰ লগতে পৰ্যায়ক্ৰমে সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰৰ বাবে চেষ্টা অব্যাহত ৰাখিব বুলি ঘোষণা কৰা হৈছে। দলে লগতে নিৰন্তৰ প্ৰচেষ্টাৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজৰ আন্তঃৰাজ্যিক সীমান্ত বিবাদ নিষ্পত্তিৰ বাবে কাম কৰাৰ প্ৰতিশ্ৰুতি দিছে।

নিৰ্বাচনী ইস্তাহাৰত বিজেপিয়ে দেশৰ প্ৰথম মানৱ মহাকাশ অভিযান গগনযান উৎক্ষেপণ কৰা হ'ব বুলিও প্ৰকাশ কৰে। ইয়াৰ লগতে দেশক সকলো ধৰণৰ বতৰৰ বাবে সাজু কৰি তোলা আৰু জলবায়ুৰ দিশৰ পৰা স্মাৰ্ট ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে মৌচম নামৰ ৰাষ্ট্ৰীয় বায়ুমণ্ডলীয় অভিযান আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি ইস্তাহাৰত অন্তৰ্ভুক্ত কৰা হৈছে।

ইস্তাহাৰ মুকলি কৰাৰ পাছত দলৰ জ্যেষ্ঠ নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সংকল্প পত্ৰই উন্নত ৰাষ্ট্ৰৰ ৪টা শক্তিশালী স্তম্ভ যুৱ প্ৰজন্ম, মহিলা, খেতিয়ক আৰু দৰিদ্ৰসকলক সবল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

ooooo

সমাপ্ত